# NSD NEWS UNIT

# AKASHVANI, GUWAHATI

0000000000

**Date :** 07-APR-2026

**Time :** 1910 HRS

## *Assamese Evening Bulletin*

## Headlines

-------------------

ooooo

১। কেন্দ্ৰীয় চৰকাৰে সমগ্ৰ দেশত পেট্ৰ'ল, ডিজেল, ৰন্ধন গেছ আৰু পি এন জিৰ যোগান স্বাভাৱিক হৈ আছে বুলি প্ৰকাশ কৰিছে।

২। অসম বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি বিয়লি ৫ বজাত সামৰণি পৰে।

৩। শ্ৰীলংকাৰ বিভিন্ন কাৰাগাৰৰ পৰা মুকলি হোৱা ৩০গৰাকী ভাৰতীয় মাছমৰীয়া আজি বিমানেৰে চেন্নাইত উপস্থিত হয়।

৪। মণিপুৰৰ গৃহ বিভাগে ৰাজ্যখনত মোবাইল ডাটা আৰু ইণ্টাৰনেট সেৱা ৩ দিনৰ বাবে বন্ধ ঘোষণা কৰিছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি গুৱাহাটীৰ বৰ্ষাপাৰাত হ'বলগীয়া ৰাজস্থান ৰয়েলছ আৰু মুম্বাই ইণ্ডিয়ানছৰ হ'বলগীয়া খেলখনত বৰষুণৰ বাবে কিছু বিলম্ব ঘটিছে।

ooooo

কেন্দ্ৰীয় চৰকাৰে সমগ্ৰ দেশত পেট্ৰ'ল, ডিজেল, ৰন্ধন গেছ আৰু পি এন জিৰ যোগান স্বাভাৱিক হৈ আছে বুলি প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি পশ্চিম এছিয়াৰ ঘটনাক্ৰম সন্দৰ্ভত আন্তঃমন্ত্ৰালয় পৰ্যায়ৰ সংবাদমেলত পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ যুটীয়া সচিব সুজাতা শৰ্মাই কয় যে ৰন্ধন গেছৰ কোনো বিতৰক প্ৰতিষ্ঠানৰ ওচৰত গেছৰ নাটনি খবৰ পোৱা হোৱা নাই। তেওঁ কয় যে সকলো পেট্ৰ'ল পাম্পৰ কাম-কাজ স্বাভাৱিকভাৱে চলি আছে আৰু কোনো ঠাইতে পেট্ৰ'ল-ডিজেলৰ নাটনি হোৱা নাই। শ্ৰীমতী শৰ্মাই কয় যে ৰন্ধন গেছৰ চিলিণ্ডাৰ প্ৰদানৰ কামো সুচাৰুৰূপে চলি আছে আৰু অনলাইনযোগে ৰন্ধন গেছৰ বুকিং প্ৰায় ৯৬ শতাংশলৈ বৃদ্ধি পাইছে। বাণিজ্যিক ৰন্ধন গেছৰ আৱণ্টন পশ্চিম এছিয়াৰ সংঘৰ্ষ আৰম্ভ হোৱাৰ পূৰ্বৰ প্ৰায় ৭০ শতাংশলৈ বৃদ্ধি পোৱা বুলি তেওঁ মন্তব্য কৰে। যুটীয়া সচিবগৰাকীয়ে কয় যে পাঁচ কিলোগ্ৰাম ওজনৰ চিলিণ্ডাৰৰ বিক্ৰী বৃদ্ধিৰ বাবে নতুন নিৰ্দেশনা জাৰি কৰা হৈছে আৰু ফেব্ৰুৱাৰীত এনে চিলিণ্ডাৰৰ দৈনিক গড় বিক্ৰী প্ৰায় ৭৭ হাজাৰ আছিল আৰু সম্প্ৰতি এই পৰিমাণ ১ লাখলৈ বৃদ্ধি পাইছে। তেওঁ কয় যে ২৩ মাৰ্চৰ পৰা পাঁচ কিলোগ্ৰাম ওজনৰ প্ৰায় ৭ লাখ ৮০ হাজাৰ মুক্ত বাণিজ্য ৰন্ধন গেছ চিলিণ্ডাৰ বিক্ৰী কৰা হৈছে।

সংবাদ মেলত বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰালয়ৰ অতিৰিক্ত সচিব মুকেশ মংগলে কয় যে পশ্চিম এছিয়া অঞ্চলত থকা ভাৰতীয় নাবিকসকল নিৰাপদে আছে আৰু বিগত ২৪ ঘণ্টাত ভাৰতীয় ধ্বজা বহনকাৰীৰ কোনো জাহাজ অপ্ৰীতিকৰ ঘটনাৰ সন্মুখীন হোৱা নাই। তেওঁ কয় যে সম্প্ৰতি পশ্চিম পাৰচ্য উপসাগৰীয় অঞ্চলত ১৬খন ভাৰতীয় ধ্বজা বহনকাৰী জাহাজ আৰু ৪৩৩গৰাকী নাবিক আছে। জাহাজ

চলাচল সঞ্চালকালয়ে জাহাজৰ স্বত্বাধিকাৰী, আৰ পি এছ এল সংস্থা আৰু ভাৰতীয় মিছনসমূহৰ সহযোগত পৰিস্থিতি সুক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে বুলি তেওঁ মন্তব্য কৰে।

০০০০০

অসম বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ আজি বিয়লি ৫ বজাত সামৰণি পৰে। ইয়াৰ লগে লগে ৰাজ্যখনত চাইলেঞ্চ পিৰিয়ড অৰ্থাৎ ১৯৫১ চনৰ জনপ্ৰতিনিধিত্ব আইনৰ ১২৬ নম্বৰ ধাৰা অনুসৰি ভোটগ্ৰহণ শেষ হোৱাৰ ৪৮ ঘণ্টা পূৰ্বৰ সময়ছোৱাত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰা হৈছে। এই সময়ছোৱাত ৰাজহুৱা সভা, শোভাযাত্ৰা, বৈদ্যুতিক মাধ্যম অথবা সামাজিক মাধ্যমৰ জৰিয়তে কৰা প্ৰচাৰকে ধৰি সকলো ধৰণৰ নিৰ্বাচনী প্ৰচাৰ সম্পূৰ্ণভাৱে নিষিদ্ধ থাকিব। নিৰ্বাচন আয়োগে ইলেকট্ৰনিক মাধ্যমত মতামত, সমীক্ষা আৰু জৰীপৰ ফলাফলকে ধৰি নিৰ্বাচন সম্পৰ্কীয় বিষয়বস্তু প্ৰদৰ্শন কৰাতো বাধা আৰোপ কৰিছে। এই সময়ছোৱাত এছ এম এছ, ফোনকল অথবা সামাজিক মাধ্যমৰ জৰিয়তে ভোট বিচৰা কাৰ্যত নিষেধাজ্ঞা আৰোপ কৰা হৈছে।

অহা ৯ এপ্ৰিলত ৰাজ্যখনৰ ১২৬টা বিধানসভা সমষ্টিৰ বাবে এটা পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। এইবাৰৰ নিৰ্বাচনত মুঠ ৭২২গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হোৱা প্ৰাৰ্থীসকলৰ ভিতৰত ৬৬৩গৰাকী পুৰুষ আৰু ৫৯গৰাকী মহিলা। প্ৰশাসনে ভোটগ্ৰহণ মুক্ত, নিকা আৰু শান্তিপূৰ্ণভাৱে সম্পন্ন কৰাৰ উদ্দেশ্যে সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰি তুলিছে আৰু যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০০

শ্ৰীলংকাৰ বিভিন্ন কাৰাগাৰৰ পৰা মুকলি হোৱা ৩০গৰাকী ভাৰতীয় মাছমৰীয়া আজি বিমানেৰে চেন্নাইত উপস্থিত হয়। ৰামেশ্বৰম আৰু কৰাইকলত এই মাছমৰীয়াকেইজনে পম্বনৰ সমীপত মাছ ধৰি থাকোতে শ্ৰীলংকাৰ নৌসেনা বাহিনীয়ে আন্তঃৰাষ্ট্ৰীয় জল সীমাত প্ৰবেশ কৰাৰ অভিযোগত গ্ৰেপ্তাৰ কৰিছিল। পাছত আদালতে তেওঁলোকক কাৰাগাৰলৈ প্ৰেৰণ কৰিছিল। কূটনৈতিক মাধ্যমেৰে চলোৱা প্ৰচেষ্টাৰ অন্তত তেওঁলোকক ভাৰতীয় কৰ্তৃপক্ষৰ হাতত গতাই দিয়া হয়।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে আজি ছেইণ্ট কিট্‌ছ এণ্ড নেভিছৰ বিদেশ মন্ত্ৰী ড০ ডেঞ্জিল এল ডগলছক সাক্ষাৎ কৰিব। ড০ জয়শংকৰে সামাজিক মাধ্যমযোগে কয় যে দুয়োগৰাকী নেতাই উন্নয়নমূলক প্ৰকল্প, স্বাস্থ্য সহযোগিতা, ডিজিটেল সামৰ্থ্য আৰু দুৰ্যোগ সঁহাৰি বিষয় লৈ আলোচনা কৰে। তেওঁলোকে লগতে বিভিন্ন আঞ্চলিকআৰু গোলকীয় বিষয় লৈ মত বিনিময় কৰে।

০০০০০

মণিপুৰৰ বিষ্ণুপুৰ জিলাৰ ট্ৰংলাওবি গাঁৱৰ এটা পৰিয়ালৰ বাসগৃহত অচিনাক্ত দুৰ্বৃত্তই বোমাৰে কৰা আক্ৰমণত দুটি শিশুৱে প্ৰাণ হেৰুৱাৰ পাছতে ৰাজ্যখনত প্ৰতিবাদমুখৰ পৰিস্থিতিৰ সৃষ্টি হৈ পৰিছে। যোৱা নিশা সংঘটিত এই ঘটনাত দুটি শিশুৰ মৃত্যু হোৱাৰ লগতে মাতৃগৰাকী গুৰুতৰভাৱে আহত হৈ ইম্ফলৰ চিকিৎসালত চিকিৎসাধীন হৈ আছে। আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা এটা বোমা উদ্ধাৰ কৰি নিষ্ক্ৰীয় কৰে। এই ঘটনাৰ পাছতে ৰাজ্যখনৰ ৫ খন উপত্যকা জিলা, পশ্চিম ইম্ফল, পূৱ ইম্ফল, কাকচিং, থৌবাল আৰু বিষ্ণুপুৰত বহু লোকে প্ৰতিবাদ কৰে। তেওঁলোকে চি আৰ পি এফৰ ছাউনীলৈ গৈ সুৰক্ষা বিচাৰি ধ্বনি দিয়ে। সুৰক্ষা বাহিনীয়ে পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে কন্দুৱা গেছ প্ৰয়োগ কৰাৰ লগতে শূন্যলৈ গুলিচালনা কৰাত কেইবাগৰাকী প্ৰতিবাদকাৰী আহত হয়। ইয়াৰ পাছতে একাংশ প্ৰতিবাদকাৰীয়ে ৰাজ্যখনৰ ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক ঘাইপথসমূহ অৱৰোধ কৰে। ৰাজ্যৰ গৃহ বিভাগে মণিপুৰত মোবাইল ডাটা আৰু ইণ্টাৰনেট সেৱা ৩ দিনৰ বাবে বন্ধ ঘোষণা কৰিছে। ইপিনে, স্পাইচজেট এয়াৰলাইন্সে আজিৰে পৰা ১৪ এপ্ৰিল পৰ্যন্ত

মণিপুৰলৈ অহা যোৱা কৰা বিমানসমূহৰ যাত্ৰা বাতিল কৰিছে। ইয়াৰ ফলত কলকাতা-ইম্ফল-গুৱাহাটীৰ মাজত চলাচল কৰা বিমানৰ সেৱাও বাতিল কৰা হৈছে। উল্লেখযোগ্য যে যোৱা ১০ ফেব্ৰুৱাৰীত ইম্ফল-গুৱাহাটী আৰু কোলকাতাৰ মাজত স্পাইচজেটে বিমান চলাচল সেৱা আৰম্ভ কৰিছিল।

০০০০০

আজি বিশ্ব স্বাস্থ্য দিৱস। প্ৰতিবছৰে ৭ এপ্ৰিলৰ দিনটোত এই দিৱস পালন কৰা হয়। এইবছৰ এই দিৱসৰ মূল বিষয়বস্তু হৈছে Together for health- stand with science।

বিশ্ব স্বাস্থ্য দিৱস উপলক্ষে কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ দপ্তৰৰ মন্ত্ৰী জগৎ প্ৰকাশ নাড্ডাই দেশৰ সকলো চিকিৎসক, নাৰ্চ আৰু স্বাস্থ্যক্ষেত্ৰৰ কৰ্মীসকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিছে। এই সকলৰ নিষ্ঠাই দেশৰ স্বাস্থ্যসেৱা খণ্ডক শক্তিশালী কৰি ৰাখে বুলি মত প্ৰকাশ কৰি সামাজিক মাধ্যম যোগে দিয়া এটা বাৰ্তাত শ্ৰীনাড্ডাই লগতে কয়, যে আজিৰ এই দিৱসটোৱে নাগৰিকসকলক তেওঁলোকৰ স্বাস্থ্যৰ অধিক যতন লোৱাৰ লগতে সমতাপূৰ্ণ জীৱন যাত্ৰাৰ প্ৰয়োজনৰ বিষয়ে সোঁৱৰাই দিয়ে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশজুৰি ৰূপায়িত আয়ুষ্মান ভাৰত আৰু প্ৰধানমন্ত্ৰী ভাৰতীয় জনৌষধি পৰিযোজনাৰ লেখীয়া আঁচনিসমূহে মানসম্পন্ন চিকিৎসা ব্যৱস্থাৰ অধীনত প্ৰতিগৰাকীক নাগৰিকক সামৰি লোৱাৰ লগতে এনে চিকিৎসা ব্যৱস্থাক সুলভ তথা ব্যয় সাধ্য কৰি তুলি স্বাস্থ্য সেৱাক অধিক শক্তিশালী কৰি তোলাটো সম্ভৱপৰ হৈ উঠিছে বুলি তেওঁ মতপ্ৰকাশ কৰে। এখন স্বাস্থ্যৱান তথা শক্তিশালী ভাৰতবৰ্ষ গঢ়ি তোলাৰ হকে একেলগে কাম কৰিবলৈ তেওঁ দেশৰ জনসাধাৰণক আহ্বান জনায়।

০০০০০

ভিয়েটনামৰ কমিউনিষ্ট পাৰ্টীৰ সাধাৰণ সম্পাদক তো লাম পাঁচ বছৰীয়া কাৰ্যকালৰ বাবে ৰাষ্ট্ৰপতি হিচাপে দেশখনৰ সংসদে সৰ্বসন্মতিক্ৰমে নিৰ্বাচিত কৰিছে। সূত্ৰই প্ৰকাশ কৰা মতে দেশখনৰ সংসদ নেচনেল এচেম্বলীৰ অধিবেশনত উপস্থিত থকা ৪৯৫ গৰাকী প্ৰতিনিধিয়ে কমিউনিষ্ট পাৰ্টীৰ মনোনয়নৰ প্ৰতি সমৰ্থন আগবঢ়ায়। পাঁচগৰাকী প্ৰতিনিধি অনুপস্থিত থাকে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভিয়েটনামৰ নতুন ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত তো লামক অভিনন্দন জনাইছে। সামাজিক মাধ্যম যোগে দিয়া এটা বাৰ্তাত দেশখনৰ নতুন ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হোৱা লামৰ নেতৃত্বত দেশখনৰ সৈতে ভাৰতৰ সম্পৰ্ক অধিক শক্তিশালী হৈ উঠিব বুলি তেওঁ আশাপ্ৰকাশ কৰে। ভাৰত আৰু ভিয়েটনামৰ মাজৰ দীৰ্ঘদিনীয়া বন্ধুত্বপূৰ্ণ সম্পৰ্কৰ বিষয়ে উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে অঞ্চলটোৰ জনসাধাৰণৰ পাৰস্পৰিক উন্নয়ন তথা সমৃদ্ধিৰ স্বাৰ্থত উভয় পক্ষৰ মাজৰ কৌশলগত সহযোগিতাক অধিক গভীৰ কৰি তোলাৰ হকে একেলগে কাম কৰিবলৈ তেওঁ আগ্ৰহেৰে অপেক্ষা কৰি আছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি গুৱাহাটীৰ বৰ্ষাপাৰাত হ'বলগীয়া ৰাজস্থান ৰয়েলছ আৰু মুম্বাই ইণ্ডিয়ানছৰ হ'বলগীয়া খেলখনত বৰষুণৰ বাবে কিছু বিলম্ব ঘটিছে। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হোৱাৰ কথা আছিল যদিও এতিয়ালৈকে টছ হোৱা নাই।

০০০০০

সমাপ্ত